**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-09-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

চৰকাৰে বিশ্ব বেংকৰ পুঁজিৰে পৰিচালিত অসম স্থিতিকস্থাপক গুণ সম্পন্ন গ্ৰাম্য দলং কাৰ্যসূচী এ আৰ আৰ বি পিৰ অধীনত ৰাজ্যৰ ১২ খন জিলাত আৰু ২৮ খন দলং নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই দলংসমূহ নিৰ্মাণ কৰাৰ বাবে ৮৫ কোটি ৮৮ লাখ টকা ব্যয় হ'ব। ৰাজ্য চৰকাৰে এ আৰ আৰ বি পি কাৰ্যসূচীৰ অধীনত পৰ্যায়ক্ৰমে গ্ৰাম্যাঞ্চলত প্ৰায় এহেজাৰ ২০০ খন দলং নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিছে। অলপতে লোক নিৰ্মাণ বিভাগৰ বাহ্যিক সাহাৰ্য্য প্ৰাপ্ত শাখাই বৰপেটা, বঙাইগাঁও, ধুবুৰী, কোকৰাঝাৰ, কাছাৰ, চৰাইদেউ, ডিব্ৰুগড়, ডিমাহাচাও, কাৰ্বি আংলং, লখিমপুৰ, নগাঁও আৰু শিৱসাগৰ জিলাত নিৰ্মাণ কৰিবলগীয়া ২৮ নতুন দলঙৰ বাবে নিবিদা আহ্বান কৰিছে।

০০০০

ৰাজ্যৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে কালি কামৰূপ জিলাৰ মীৰ্জাত বিভাগটোৰ অভিলাষী আঁচনি ৰূপায়ণ সন্দৰ্ভত এখন সজাগতামূলক সন্মিলনত অংশ লয়। সন্মিলনত মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালসমূহৰ আৰ্থিক বোজা লাঘৱ কৰা আৰু খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত প্ৰায় ৭০ লাখ পৰিয়ালৰ ২ কোটি হিতাধিকাৰীক সামৰি লৈছে। এই দিশত নতুন সংযোজনৰূপে ৰাজ্য চৰকাৰে অভিলাষী আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ হিতাধিকাৰীসকলক প্ৰতিখন ৰেচন কাৰ্ডৰ বিপৰীতে ৰাজ সাহায্যযুক্ত হাৰত তিনিবিধ সামগ্ৰী দাইল, চেনি আৰু নিমখ প্ৰদান কৰাৰ সিদ্ধান্ত লয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

শ্ৰীভূমি জিলাত শান্তি আৰু আইন শৃংখলা পৰিস্থিতি বিঘ্নিত হোৱাৰ আশংকা কৰি জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি জিলাখনত প্ৰশাসনৰ অনুমতি অবিহনে ৫ জন বা ততোধিক লোক সমবেত হোৱাটো নিষিদ্ধ কৰিছে। তদুপৰি অনুমতি অবিহনে বন্ধ ঘোষণা, সমদল আৰু প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত কৰাটো বাধা আৰোপ কৰা হৈছে। অৱশ্যে জৰুৰীকালীন সেৱাত নিয়োজিত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰী, এম্বুলেন্স আৰু অগ্নিনিৰ্বাপক সেৱা আদিৰ ক্ষেত্ৰত এই আদেশ প্ৰযোজ্য নহ'ব। এই আদেশ সমগ্ৰ জিলাখনত তাৎক্ষণিকভাৱে বলৱৎ হৈছে আৰু পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে বলৱৎ হৈ থাকিব বুলি প্ৰকাশ কৰা হৈছে।

০০০০

ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমাৰ বিভাগৰ মন্ত্ৰী বিমল বৰাক সমাগত বি টি আৰ নিৰ্বাচনৰ বাবে বিজেপিয়ে ২২ নম্বৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ তত্বাৱধায়কৰ দায়িত্ব অৰ্পন কৰিছে। এই দায়িত্ব লাভৰ পিছতে কালি সন্ধিয়া মন্ত্ৰীগৰাকীয়ে ককলাবাৰী সমষ্টিৰ জালাহত থকা দলীয় কাৰ্যালয়ত উপস্থিত হৈ

সমষ্টিটোৰ বিজেপিৰ প্ৰাৰ্থী ৰমেন মদাহীৰ লগতে দলীয় কাৰ্যকৰ্তাৰ সৈতে মত বিনিময় কৰে। নিৰ্বাচনী প্ৰস্তুতিৰ অংশগ্ৰহণৰ পাছত মন্ত্ৰীগৰাকীয়ে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰ আৰু ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে ৰাইজৰ মনৰ আশা আকাংখা সমূহ আগুৱাই লৈ যাবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থীগৰাকীয়ে জয়লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। এই সভাখনত আন কেইবাগৰাকীও দলীয় নেতাই অংশগ্ৰহণ কৰে।

০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া থানাৰ নাগৰিক সমিতিৰ উদ্যোগত, গাঁওৰক্ষী বাহিনী আৰু অঞ্চলটোৰ ৰাইজৰ সহযোগত চাচনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি মাদক দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সভা আৰু প্ৰতিবাদী সমদল উলিওৱা হয়। নাহৰকটীয়া থানা পৰ্যায়ত নাগৰিক সমিতিৰ সভাপতি গকুল বৰা সভাপতিত্বত অনুষ্ঠিত এই সভাত নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাকে ধৰি অনুষ্ঠানত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়।

০০০০

হোজাই জিলাৰ লংকা আৰক্ষীয়ে কালি নিশা লংকাৰ এখন ব্যক্তিগত হোটেলত অভিযান চলাই দুজন প্ৰৱঞ্চকক আটক কৰে। আটকাধীন লোককেইজন উত্তৰ প্ৰদেশৰ সুৰেশ কুমাৰ আৰু ৰাহুল মাঠুৰ বুলি জানিব পৰা গৈছে। এই লোককেইজনে ভাৰতীয় সেনা, চি আৰ পি এফ আৰু এছ এছ বিত চাকৰি দিয়াৰ নামত ভূৱা নথি যোগান ধৰিবলৈ লংকাত আহি বাহৰ পাতিছিল। দুয়োজন লোকৰ পৰা বহুসংখ্যক ভুৱা ছীল-মোহৰ, মোবাইল, আৰু বিভিন্ন নথি পত্ৰ উদ্ধাৰ কৰা হৈছে।

০০০০

বজালীৰ পাঠশালাৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ উৰণসেঁতুত আজি পুৱাৰ ভাগত এখন মাছ কঢ়িয়াই অনা ট্ৰাক দুৰ্ঘটনাত পতিত হয়। জানিব পৰা মতে, পশ্চিমবংগৰ শিলিগুৰিৰ পৰা গুৱাহাটী অভিমুখে আহি থকা ট্ৰাকখনে নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইদাৰত খুন্দা মাৰে। এই ঘটনাত চালকগৰাকী গুৰুতৰভাৱে আহত হোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................